ASSAM BOARD QUESTION PAPER

2024

Download PDF
aglasem.com

24E—MAAS

2024

ASSAMESE

(Modern Indian Language)

Full Marks : 100
Pass Marks : 30

Time : 3 hours

The figures in the margin indicate full marks for the questions

ALLOTMENT OF MARKS

Q. No. **1** carries *1* mark each	1×6 =	6
Q. No. **2** carries *2* marks each	2×5 =	10
Q. No. **3** carries *4* marks each	4×3 =	12
Q. No. **4** carries *6* marks each	6×2 =	12
Q. No. **5** carries *1* mark	=	1
Q. No. **6** carries *2* marks	=	2
Q. No. **7** carries *4* marks	=	4
Q. No. **8** carries *1* mark each	1×3 =	3
Q. No. **9** carries *2* marks each	2×4 =	8
Q. No. **10** carries *4* marks each	4×2 =	8
Q. No. **11** carries *6* marks	=	6
Q. No. **12** carries *1* mark each	1×2 =	2
Q. No. **13** carries *2* marks	=	2
Q. No. **14** carries *4* marks each	4×2 =	8
Q. No. **15** carries *6* marks	=	6
Q. No. **16** carries *2* marks	=	2
Q. No. **17** carries *4* marks	=	4
Q. No. **18** carries *4* marks	=	4
	Total =	100

১। তলৰ যি কোনো **ছটা** প্ৰশ্নৰ উত্তৰ লিখাঁ : ১×৬=৬

(ক) অসমীয়া সাহিত্যত 'বেকন' হিচাপে পৰিচিত ব্যক্তিজন কোন ?

(খ) 'অসমত মহাত্মা গান্ধীৰ পোনপ্ৰথম পদাৰ্পণ' পাঠটি ক'ৰ পৰা সংগ্ৰহ কৰা হৈছে ?

(গ) 'গৌৰৱ' প্ৰবন্ধটিৰ লেখক কোন ?

(ঘ) 'অন্তৰাত্মা' শব্দৰ অৰ্থ কি ?

(ঙ) 'গিবন' নামৰ পাঠটি ক'ৰ পৰা সংগ্ৰহ কৰা হৈছে ?

(চ) কে'ম্ব্ৰিজ বিশ্ববিদ্যালয় কোনখন নদীৰ উপত্যকাত অৱস্থিত ?

(ছ) অভিনৱ মানে কি ?

(জ) 'এভাৰেষ্টৰ সপোন আৰু বিভীষিকা' পাঠটোৰ লেখক কোন ?

২। তলৰ যি কোনো **পাঁচোটা** প্ৰশ্নৰ উত্তৰ লিখাঁ : ২×৫=১০

(ক) ধনৰ দুই প্ৰকাৰৰ ব্যৱহাৰ কি কি ?

(খ) পদ্মনাথ গোহাঞিবৰুৱাই সম্পাদনা কৰা দুখন আলোচনীৰ নাম লিখাঁ।

(গ) দেশ জয় কৰা বীৰসকলে প্ৰকৃততে দেশ ৰাখিব পাৰেনে ?

(ঘ) আল্‌বানিয়াত প্ৰচলিত কিতাপ সম্পৰ্কীয় যোজনাটি লিখাঁ।

(ঙ) 'পেৰাডাইজ লষ্ট'ৰ ৰচক কোন ? গ্ৰন্থখন কি ছন্দত ৰচিত ?

(চ) গথিক স্থাপত্য বুলিলে কি বুজা ?

(ছ) ফুলফুলতী খেল কিদৰে খেলা হয় ?

(জ) হিমানী সম্প্রপাত মানে কি ?

৩। তলৰ যি কোনো তিনিটা প্রশ্নৰ উত্তৰ লিখাঁ : ৪×৩=১২

(ক) অশিক্ষিত মানুহে ধন খৰচ কৰাৰ কৌশল সম্পৰ্কে কেনে ধাৰণা কৰে, লিখাঁ।

(খ) গান্ধীজী আৰু পদ্মনাথ গোহাঞিবৰুৱাৰ কথোপকথনখিনি তোমাৰ ভাষাত বুজাই লিখাঁ।

(গ) "অনাখৰী চহা লোকেও কিতাপৰ পৰা লাভ কৰিব পৰা জ্ঞানক অশ্রদ্ধা নেদেখুৱায়।" পাঠটিৰ সহায়ত আলোচনা কৰাঁ।

(ঘ) কে'ম্ব্রিজ বিশ্ববিদ্যালয়ৰ কলেজবোৰ কোনে, কিদৰে প্রতিষ্ঠা আৰু পৰিচালনা কৰে, বুজাই লিখাঁ।

(ঙ) শেন মেলা খেলৰ বিষয়ে চমুকৈ লিখাঁ।

৪। তলৰ যি কোনো দুটা প্রশ্নৰ উত্তৰ লিখাঁ : ৬×২=১২

(ক) "ধন সুখ ভোগৰ উপায় নহয়, স্বয়ং ধনেই সুখ"—ব্যাখ্যা কৰাঁ।

(খ) প্রসংগ-সংগতি দর্শাই ব্যাখ্যা কৰাঁ :
"ৰূপৰ কিবা আচৰিত চুম্বক শক্তি আছে।"

(গ) পুৰণি কালত বিহুৰ সময়ত কেনেধৰণৰ খেল অনুষ্ঠিত হৈছিল, লিখাঁ।

(ঘ) হিমানী সম্প্রপাতৰ পিছত অভিযানকাৰী দলটিয়ে নিজৰ কেম্পলৈ গৈ বৰফৰ দৈত্যৰ কেনে ধ্বংসলীলা দেখিছিল ?

৫। তলৰ যি কোনো এটা প্রশ্নৰ উত্তৰ লিখাঁ : ১

(ক) চৈয়দ আব্দুল মালিকৰ প্রথম প্রকাশিত চুটিগল্পৰ পুথিখনৰ নাম কি ?

(খ) 'অঘৰী আত্মাৰ কাহিনী' কাৰ ৰচনা ?

৬। (ক) ''আমাৰ দুজন একেলগে বিয়ালৈ যোৱাটো উচিত নহ'ব''—'আমাৰ দুজন' বুলি ইয়াত কাৰ কাৰ কথা কোৱা হৈছে? ২

অথবা

(খ) ''ময়েই যাওঁ; আপুনি নেলাগে যাব।'' কোনে, ক'লৈ যোৱাৰ কথা কৈছিল? ৪

৭। (ক) নাজিয়াই বিয়ালৈ কিয় অকলে গৈছিল?

অথবা

(খ) কি পৰিস্থিতিৰ বাবে নাজিয়াই বিয়ালৈ বুলি ওলাই বিয়ালৈ নগ'ল? ১×৩=৩

৮। তলৰ যি কোনো **তিনিটা** প্ৰশ্নৰ উত্তৰ লিখাঁ :

(ক) 'ৰাৱণক বিভীষণৰ সজ উপদেশ' নামৰ পাঠটি মাধৱ কন্দলি বিৰচিত কোনখন পুথিৰ পৰা লোৱা হৈছে?

(খ) 'মন মেৰি ৰাম চৰণহি লাগু' শীৰ্ষক ৰৰগীতটিৰ ৰচক কোন?

(গ) প্ৰতিমাৰ খনিকৰ ৰূপে খ্যাত ব্যক্তিজন কোন?

(ঘ) আধুনিক অসমীয়া কবিতাৰ 'দুৱাৰ মুকলি কৰোঁতা' বুলি খ্যাত কবিজন কোন?

(ঙ) 'নচিকেতা' কাৰ ছদ্মনাম?

৯। তলৰ যি কোনো **চাৰিটা** প্ৰশ্নৰ উত্তৰ লিখাঁ : ২×৪=৮

(ক) শংকৰদেৱ আৰু মাধৱদেৱে ৰামায়ণৰ কোন দুটা কাণ্ড ৰচনা কৰিছিল?

(খ) 'জলনিধিজা' মানে কি?

(গ) 'ধনবৰ আৰু ৰতনী' কোনজন সাহিত্যিকৰ, কোনখন কাব্যপুথিৰ অন্তৰ্গত?

(ঘ) শব্দার্থ লিখাঁ :

মাতুল, গ্লানি।

(ঙ) প্রগতিবাদী চিন্তাধাৰা বুলিলে কি বুজা ?

(চ) শব্দার্থ লিখাঁ :

মেঘাচ্ছন্ন, মোহনা।

১০। তলৰ যি কোনো দুটা প্ৰশ্নৰ উত্তৰ লিখাঁ : ৪×২=৮

(ক) বিভীষণে ৰাজসভালৈ গৈ ৰাৱণক কি কি সজ উপদেশ দিছিল ?

(খ) তোমালোকৰ পাঠ্যপুথিৰ অন্তৰ্গত ৰৰগীতটিত শ্ৰীকৃষ্ণৰ অপৰূপ শাৰীৰিক অৱয়ৱৰ বৰ্ণনা কিদৰে কৰিছে, বুজাই লিখাঁ।

(গ) ''লাচিত ফুকন! লাচিত ফুকন! মোৰ স্বদেশৰ বীৰ
দেশৰ কাৰণে তাহানি এদিন যাচিলা নিজৰ শিৰ''
—ব্যাখ্যা কৰাঁ।

(ঘ) সমাজজীৱনৰ শ্ৰেণী-বৈষম্যৰ ছৱিখন 'ৰাজপথ' কবিতাটিত কেনেদৰে প্ৰকাশিত হৈছে, বুজাই লিখাঁ।

১১। তলৰ যি কোনো এটা কবিতাৰ মূল ভাব লিখাঁ : ৬

(ক) ধনৰ আৰু ৰতনী

(খ) বনকুঁৱৰী

(গ) এখন চিঠি

১২। তলৰ যি কোনো দুটা প্ৰশ্নৰ উত্তৰ লিখাঁ : ১×২=২

(ক) কুশল কোঁৱৰৰ পিতৃৰ নাম কি ?

(খ) ''নহয় পণ্ডিতজী ! বিপ্লৱ কৰিম বেংগলৰ দৰে।'' কাৰ উক্তি ?

(গ) সৰুপথাৰৰ বেল দুৰ্ঘটনা কেতিয়া হৈছিল ?

১৩। (ক) ''দোষ কৰিলে—জগৰ—লগালে, গৰু কিয় মানুহকো arrest কৰি ৰাখিব লাগিব।'' কোনে, কাক কৈছিল ? ২

অথবা

(খ) 'কুশল কোঁৱৰ' নাটৰ দুটা নাৰী চৰিত্ৰৰ নাম লিখাঁ।

১৪। তলৰ যি কোনো দুটা প্ৰশ্নৰ উত্তৰ লিখাঁ : ৪×২=৮

(ক) 'কুশল কোঁৱৰ' নাটকখনৰ 'সূচনা' দৰ্শনটিৰ মূল কথাখিনি তোমাৰ নিজৰ কথাৰে লিখাঁ।

(খ) 'কুশল কোঁৱৰ' নাটকখনৰ ১৩ নং দৰ্শন (যোৰহাট জেইল)ৰ কুশল কোঁৱৰ আৰু প্ৰভাৱতীৰ কথোপকথনখিনি তোমাৰ ভাষাৰে লিখাঁ।

(গ) চৰিত্ৰ-চিত্ৰণ কৰাঁ (যি কোনো **এজনৰ**) :

প্ৰভাৱতী, কণপাহি।

১৫। তলৰ যি কোনো **এটি** উক্তিৰ আধাৰত কুশল কোঁৱৰৰ স্বদেশপ্ৰেম আৰু ত্যাগৰ বিষয়ে লিখাঁ : ৬

(ক) ''মই ভাৰতবৰ্ষৰ কোটি কোটি মানুহৰ মুক্তিৰ অৰ্থে প্ৰাণ দিম। দেশৰ কাৰণে—মানুহৰ কাৰণে প্ৰাণ দিবলৈ পোৱাতকৈ জীৱনৰ ডাঙৰ সৌভাগ্য কি হ'ব পাৰে ?''

(খ) ''স্বাধীনতা অনাৰ বাবে আমি আটায়ে ত্যাগ স্বীকাৰ কৰিছোঁহঁক। স্বাধীনতা পোৱাৰ পাছতো যেন আমি ত্যাগী হৈ থাকিব পাৰোঁ—ভোগী হ'বলৈ যেন হাবিয়াস নকৰোঁ।''

১৬। তলৰ যি কোনো এযোৰ শব্দৰ অৰ্থ লিখি পাৰ্থক্য দেখুওৱাঁ : ২

(ক) হাত, হাট

(খ) বাঁহ, বাহ

(গ) পাণি, পানী

১৭। ভাব-সম্প্ৰসাৰণ কৰাঁ (যি কোনো এটা) : ৪

(ক) আপোন ভালেই জগত ভাল।

(খ) যত্ন কৰিলে ৰত্ন পায়।

১৮। উদাহৰণসহ লিখাঁ (যি কোনো এটা) : ৪

(ক) অসমীয়া ভাষাত চন্দ্ৰবিন্দুৰ দুটা ব্যৱহাৰ

(খ) অসমীয়া ভাষাৰ বিভিন্ন শব্দত অ'কাৰৰ প্ৰয়োগ

★★★

QUESTION PAPERS

GET PREVIOUS YEAR QUESTION PAPERS FOR ALL CLASSES FOR CBSE, ISCSE, ISC AND ALL ALL STATE BOARDS HERE AT AGLASEM.COM

BOARD WISE

- Andhra Pradesh Board Question Papers
- Assam Board Question Papers
- Bihar Board Question Papers
- Chhattisgarh Board Question Papers
- Goa Board Question Papers
- Gujarat Board Question Papers
- Haryana Board Question Papers
- Himachal Pradesh Board Question Papers
- J&K State Board Question Papers
- Jharkhand Board Question Papers
- Karnataka Board Question Papers
- Kerala Board Question Papers
- Madhya Pradesh Board Question Papers
- Maharashtra State Board Question Papers
- Manipur Board Question Papers
- Meghalaya Board Question Papers
- Mizoram Board Question Papers
- Nagaland Board Question Papers
- Orissa Board Question Papers
- Punjab Board Question Papers
- Rajasthan Board Question Papers
- Tamil Nadu Board Question Papers
- Telangana State Board Question Papers
- Tripura Board Question Papers
- Uttarakhand Board Question Papers
- Uttar Pradesh (UP) Board Question Papers
- West Bengal (WB) Board Question Papers